অসম

কাজিৰঙাৰ ভয়ংকৰ দুর্ঘটনাৰ পাছত সষ্টম ডিগবৈ আৰক্ষী

প্রকাশ: ১৬ নৱেম্বৰ ২০২৬, নিশা ৭:৫১



কেচা চাহপাত কঢ়িওৱা গাড়ী তালাচী:

কাজিৰঙাত ভয়ংকৰ দুর্ঘটনাৰ পাছত সষ্টম ডিগবৈ আৰক্ষী। তীব্র বেগী কেচা চাহপাত কঢ়িওৱা গাড়ীৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে আৰক্ষীয়ে। ডিগবৈ চহৰৰ মাজেদি যোৱা কেচা চাহপাত গাড়ীৰ প্রয়োজনীয় নথি পত্র পৰীক্ষা কৰাৰ লগতে চালকৰ বৈধ অনুজ্ঞাপত্র নিৰীক্ষণ কৰিছে। কেচা চাহপাত কঢ়িওৱা গাড়ীৰ লগতে আন যান বাহন সমুহো তালাচী চলাইছে আৰক্ষীয়ে। উল্লেখ্য যে ডিগবৈ চহৰৰ মাজেদি যোৱা কেচা চাহপাত কঢ়িওৱা সৰু ডাঙৰ গাড়ী সমুহ তীব্র বেগত চলাচল কৰাত পথাচাৰীৰ সমস্যা হয়। এনে তীব্রবেগী গাড়ীৰ বাবে বহুতো দুর্ঘটনাও সংঘটিত হৈ গৈছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3438/kajirongar-bhoyngkor-durghotonar-pasot-sostom-digoboi-aroksi